**বিজ্ঞান ধাৰাৱাহিক – অবিৰত খোজ ...**

**খণ্ড – ৪৮** **মহাবিপদৰ অন্য নাম, -- গেৰেকণি ...**

**জ্ঞানশ্ৰী ভট্টাচাৰ্য্য**

**( মূল লেখনিৰ আধাৰত)**

**(শীৰ্ষক গীত আৰু ঘোষণা)**

**চৰিত্ৰ সমূহ –**

১. ড° প্ৰাপ্তি আলোচনা চক্ৰৰ বিশেষজ্ঞ
২. ড° ফিৰোজ ঐ
৩. তানিয়া আলোচনা চক্ৰৰ সহায়ক গৱেষক
৪. ৰাতুল গঞা শিক্ষক আন্দোলনৰ নেতা
৫. দীপালি সচেতন গঞা সমাজকৰ্মী
৬. লিপিকা সচেতন গঞা বিজ্ঞানকৰ্মী

(গঞাই কৰা পথ অৱৰোধৰ ফলত ঘাইপথত প্ৰচণ্ড যানজঁট। সেইমতে শাব্দিক মন্টাজ। মাজে মাজে ভাঁহি আহে অৱৰোধকাৰীসকলৰ শ্ল'গান ...)

- ইনকিলাব জিন্দাবাদ! জিন্দাবাদ!! জিন্দাবাদ!!

- আমাৰ এলেকাটোত দ্বিতীয় এটা গেৰেকণি নচলিব! নচলিব!!

- আমাক নিৰাপদে থাকিব দিয়ক, থাকিব দিয়ক।

- চহৰৰ আৱৰ্জণা পেলাই পেলাই আমাৰ এলেকাটো বিপদজনক কৰি ... নুতুলিব, নুতুলিব।

- আমাৰ দাবী মানিবই লাগিব, নহ'লে ... পথ অৱৰোধ উঠাই নলওঁ, উঠাই নলওঁ ...

ড° ফিৰোজ – বাৰু ড০ প্ৰাপ্তি! গেৰেকণি মানে আমাৰ ইংৰাজীতে যাক লেণ্ডফিল বোলে সেয়া নহয় জানো?

ড° প্ৰাপ্তি – আপুনি ঠিকেই ধৰিছে ড০ ফিৰোজ! এইটো খাচ অসমীয়া শব্দ! আমাৰ অসমীয়া জনজীৱনৰ একোটা অপৰিহাৰ্য্য অংগ হ'লগৈ ... প্ৰতিখন ঘৰতেই একোখন চুৰা – পাতনি আৰু একোখন গেৰেকণি থাকে। ঘৰৰ গেৰেকণিত অদৰ্কাৰী বয়-বস্তুবোৰ থোৱা হয়, সেইবোৰৰ ভালেমান জহি-পমি সাৰ হৈ যায়।

ফিৰোজ – আৰু চুৱা-পাতনিত?

প্ৰাপ্তি – খাই -বৈ ৰোৱা, এৰা- ওকলাবোৰ পেলোৱা হয়। সেইবোৰ চৰাই – চিৰিকতি আৰু ঘৰুৱা জীৱ-জন্তুবোৰে খায়।

ফিৰোজ – বাঃ বঢ়িয়া ব্যৱস্থাতো!! তাৰ মানে আৱৰ্জনাৰ অট'মেটিক ৰিচাইক্লিং মানে পুনৰ ব্যৱহাৰ।

প্ৰাপ্তি – ঠিক সেইটোৱেই ... ঘৰুৱা আৱৰ্জনাৰ ঝামেলা নাইকিয়া কৰাৰ বাবে ... এটা পৰম্পৰাগত বিজ্ঞান সন্মত পদ্ধতি।

তানিয়া – আচলতে বাইদেউ! এই বিষয়ে আৰু অধিক অধ্যয়ণৰ প্ৰয়োজন আছে।

প্ৰাপ্তি – নিশ্চয় আছে তানিয়া। চাওঁছোন, পিছলৈ হয়তো এই লৈ তোমালোকেই এটা প্ৰকল্প কৰিব পাৰিবা।

ফিৰোজ – তাৰ মানে ড০ প্ৰাপ্তি! .. এই মানুহবোৰে যে পথ অৱৰোধ কৰিছে, সেয়া ৰাজহুৱা গেৰেকণিৰ্ বিৰুদ্ধে হে নেকি?

প্ৰাপ্তি – হয়। .. চহৰৰ আতঁৰৰ এলেকা বুলি ... ইয়াত ইতিমধ্যে এটা ৰাজহুৱা গেৰেকণি কৰা হৈছেই! .. এইবাৰ দ্বিতীয়টো কৰাৰ ব্যৱস্থা কৰা বাবে ...

ফিৰোজ – অ' বুজিছো। তেওঁলোকে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। .. ঠিকেই কৰিছে, ভালেই কৰিছে... চহৰৰ পৰা দূৰৈত থকা অঞ্চলবোৰ গেৰেকণি মানে চহৰীয়া আৱৰ্জনা পেলোৱা ঠাই হিচাপে বাচি ল'লেই, সমস্যাটোৰ শেষ নহয়, - ইয়াক চহৰৰ পৰা নি আৰু এঠাইত গোঁজা মৰাহে হয়, - ! তাৰপৰা ন ন সমস্যা উদ্ভৱ হোৱাটোৱেই খাটাং ...

তানিয়া – আৰু চাৰ! ঠায়ে ঠায়ে তেনে হোৱা দেখাও গৈছে...

প্ৰাপ্তি – ছেঃ অৱৰোধ বা কেতিয়া শেষ হয় ... ইপিনে আমাৰ চেমিনাৰৰ ঠাই পাবলৈ এতিয়াও বহুখিনি আছে...

তানিয়া – উপায় নাই বাইদেউ! .. সোনকালেই অৱৰোধ শেষ হ'ব যেন লাগিছে ...। তেওঁলোকে হক কথাতেই আন্দোলন কৰিছে যেতিয়া ...

(পুলিৰ হুইচেল, গাড়ীৰ হৰ্ণ, শ্ল'গান আদি)

ফিৰোজ – পৰিস্থিতি শাম কটা যেন পাইছো ...। সোনকালেই যাত্ৰা আৰম্ভ কৰিব পাৰিম যেন লাগিছে ...

তানিয়া – সে – সে – সেয়া চাওক ... আগৰ গাড়ীবোৰ লাহে লাহে .. আগুৱাব ধৰিছে ...

প্ৰাপ্তি আৰু ফিৰোজ – উস্‌! ৰক্ষা তেও!! ব’লক ...

(গাড়ী ষ্টাৰ্ট দিয়ে)

তানিয়া – আশাকৰো আমি সময়তেই আলোচনা চক্ৰ পামগৈ ...

(যানজঁট খোলাত গাড়ী চলিযোৱাৰ শব্দ)

দৃশ্য ২

(অৱৰোধৰ শেষত কেবাজনো বহি স্লোচনা কৰিছে)

ৰাতুল – আজিৰ পথ অৱৰোধ বেছ সফলেই হ’ল। কিন্তু আমাৰ পৰিস্থিতি সলনি কৰাত ইয়া কিমানদূৰ সহায় কৰিব??

দিপালী – হয় চাব। ময়ো এই একে কথাকেই জানিব বিচাৰিছোঁ। প্ৰশাসনে শুনিবজানো আমাৰ কথা? নতুন এটা লেগুফিল তেওঁলোকে যদি আৰম্ভ কৰে??

লিপিকা – ছাৰ, আপুনি কি ভাবে? আমি কিবা ভূল কৰিছোঁ নেকি? নে আমি এনে ধৰণৰ এটা অৱৰোধ পুনৰায় কৰাম?

দিপালী- আৰু সেয়া জানো বৈধ হ’ব??

ৰাতুল – মই আপোনালোকৰ চিন্তাধাৰা বুজিব পাৰিছোঁ। চাওঁক, আমি এই অৱৰোধ কোনো ব্যক্তিগত লাভৰ বাবে কৰা নাই। সামূহিকভাৱে আৱৰ্জনা পেলোৱা এই সমস্যাটো আমাৰ স্বাক্ষ্যৰ সৈতে জড়িত।

লিপিকা – নিশ্চয়! নিশ্চয়!!

লিপিকা – তাৰমানে আমাৰ এই সমস্যাটো বহুতো মানুহৰ দৃষ্টিগোচৰ কৰিবলৈ আমি আজিৰ এই অৱৰোধটো কৰিলোঁ?

দিপালি – একেবাৰে সঁচা। আমাৰ গাওঁ চুই যোৱা এই ৰাস্তাৰে যাতে কোনোৱে অসুবিধা নোহোৱা কৈ যাব পাৰে, সেয়া আমি কৰা উচিত। কিন্তু লগতে স্বাস্থ্যৱান জীৱনৰ অধিকাৰোতো আমাৰ মৌলিক অধিকাৰ।

ৰাতুল – দিপালি বাইদেউ, মই কেতিয়াও শুনা নাই যে বৰ্য্য পদাৰ্থৰ নিষ্ক্ৰমণৰ সমস্যাৰ বাবে কোনোবাই কেতিয়াবা ক’ৰবাত পথ অৱৰোধ কৰিছে। এই ক্ষেত্ৰত আমিয়ে প্ৰথম নেকি?

দিপালি – নহয় চাৰ! এই সমস্যাৰ ভুক্তভোগী অকল আমিয়ে নহয়, ভাৰতৰ ডাঙৰ মহানগৰৰ বাসিন্দাসকলো এই সমস্যাৰ ভুক্তভোগী।

লিপিকা – হয় নেকি?

দিপালী – হয় লিপিকা! বেংগালুৰুৰ কথাকে লোৱা। ইমান ধুনীয়া নগৰ আৰু তথ্য প্ৰযুক্তিবিদ্যাৰ যেন মক্কাহে।

লিপিকা – তথ্য – প্ৰযুক্তিৰ মক্কাও আকৌ কি হৈছে?

ৰাতুল –গগণচুম্বী অট্টালিকাৰ বাসিন্দাসকলে পথলৈ আহি ধৰ্ণা দিছে। ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে কিছুমান নীতি নিৰ্ধাৰণ কৰিছে যাতে বেল্লান্দুৰ হ্ৰদটো সঠিকভাৱে পৰিপালণ হয়। লগতে কৰ্ণাটকা ৰাজ্য প্ৰদূষণ বোৰ্ডে প্ৰায় আশীটা ফেক্টৰীক প্ৰদূষণ বন্ধ কৰাৰ নহ’লে ফেক্টৰিকে বন্ধ কৰাৰ নটিছ জাৰী কৰিছে।

দিপালী- তাৰমানে চাৰ। এই ক্ষেত্ৰত আমি অকলে নহয়!!

লিপিকা – নিশ্চয়কৈ দিপালী বাইদেউ! আমি অকলে নহয়! গোটেই পৃথিৱীয়েই কিজানি আমাৰ লগতেই আছে ...!

ৰাতুল – আৱৰ্জনাৰপৰা ৰক্ষা  পৰাৰ সমস্যাটো প্ৰতিখন ঠাইতেই একে! বিকট ৰূপ ধাৰণ কৰাৰ দিশে আহ বাঢ়িছে। পূৰ্ব মুম্বাইত ‘ডেওনাৰ’ নামৰ গেৰেকণি ৩২৬ একৰ মাটি জুৰি আছে।

লিপিকা আৰু দীপালী – বাপৰে বাপ ৩২৬ একৰ!! মানতো প্ৰায় এহেজাৰ বিঘাই ...

ৰাতুল – ডেউনাৰ গেৰেকণিৰ আৱৰ্জনাৰ পাহাৰখন প্ৰায় ত্ৰিশ মিতাৰ ওখ ...

লিপিকা আৰু দীপালি - ... মানে এটা ন মহলীয়া অট্টালিকাৰ সমা-ন!!

ৰাতুল – হয়। এইটো মুম্বাইৰ আটাইতকৈ ডাঙৰ গেৰেকণি প্ৰকল্প ... আৰু দিনৌ ইয়াত প্ৰায় সাৰে পাচঁ হাজাৰ মেট্ৰিক টন আৱৰ্জনা পেলোৱা হয়।

দিপালী – হুম – ম!! পিছে ছাৰ! আপুনি বিশেষকৈ ডেওনাৰৰ উল্লেখ কিয় কৰিছে বাৰু?

ৰাতুল – কাৰণ ২০১৬ চনত ডেওনাৰৰ গেৰেকণিত জুই লাগিছিল। ইমান ধোঁৱা হৈছিল যে কাষৰ পাঁজৰৰ মানুহৰ জীৱন অতিষ্ঠ হৈ গৈছেল। সকলো বন্ধ হৈ গৈছিল।

দিপালী আৰু লিপিকা – আই ঔ!! বৰ ভয়ানক দেখোন!!

ৰাতুল – বৃহৎ মুম্বাই মিউনিচিপাল ক’ৰপৰেচনে ওচৰ-পাঁজৰৰ স্কুলবোৰ জৰুৰীকালীন ভাৱে বন্ধ কৰি দিছিল। কাৰণ ডেওনাৰৰ ধোঁৱাই মানুহৰ শ্বাস প্ৰশ্বাসৰ সমস্যাৰ সৃষ্টি কৰিছিল। আৰু কি জানেনে? ৰ ফটোত এই ডেওনাৰৰ ধোঁৱা ধৰা পৰিছিল।

লিপিকা – বাৰু, আমাৰ দেশতেই এই পেলনীয়া বয়-বস্তু লৈ ইমান সমস্যা নে অইন দেশতো এই সমস্যাটো আছে??

দিপালী – নিশ্চয় আছে! উন্নয়নশীল দেশৰ লগতে উন্নত দেশসমূহতো এই সমস্যাটো আছে। পেলনীয়া বয়-বস্তু পেলোৱা ঠাইৰ পৰা বিষাক্ত গেছ উদ্ভৱ হয় আৰু পানীৰ উৎসসমূহ বিষাক্ত হোৱাৰ আশংকা থাকে।

ৰাতুল-হয়! একেবাৰে সঁচা কথা বাইদেউ!! অপকাৰৰ এই তালিকা ইয়াতেই শেষ নহয়। গেৰেকণিবোৰৰ পৰা তাপো ওলায়। ফলত উষ্ণায়ন বাঢ়ে। সেইবচৰতেই আমেৰিকা যুক্তৰাজ্যত গেৰেকণিৰ পৰা উৎপাদিত মিথেন গেছৰ পৰিমান হৈছে ত্ৰিশ নিযুত মেট্ৰিক টন। এই অপকাৰী গ্ৰীণহাউছ গেছে গোলোকীয় উত্তাপ বঢ়াত কেনেদৰে সেয়া আমি সকলোৱেই জানে ...

লিপিকা – আৱৰ্জনাৰ অপব্যৱহাৰ আৰু তাৰ সঠিক সুব্যৱস্থাপণাৰ অভাৱত কিমান অঘটন ঘটিব পাৰে তাৰ ঢেৰ উদাহৰণ আছে। কিন্তু মানুহে শুনিলেহে!!

দিপালী – বাৰু। ধৰি ল’লো যে পৃথিৱীত কোনো গেৰেকণি নাই। তেতিয়াহ’লে নগৰ- চহৰৰ আৱৰ্জনা বোৰ ক’লৈ যাব??

লিপিকা – ইমান ডাঙৰ ডাঙৰ চিন্তা নকৰোঁ ভাই!! কিন্তু মোৰ কথা হ’ল যে বেলেগৰ আৱৰ্জনা আমাৰ গাঁৱৰ কাষত জমা কৰিবলৈ নিদিওঁ যাতে আমাৰ কাৰোই স্বাস্থ্যহানি নহয়। তাৰবাবে আমি চেষ্টা কৰিম। নহয় জানোঁ?

ৰাতুল – নিশয়! চহৰলৈ দেখস পাওঁ, য’তে ত’তে আৱৰ্জনাৰ দ’ম। মোৰটো ভাৱ হয় আজিকালি দিনে দিনে আৱৰ্জনাৰ দ’মবোৰ, আজি এটা কালি এটাকৈ বাঢ়ি বাঢ়ি গৈ আছে। লগতে মানুহৰ এটা বেয়া অভ্যাস মই দেখিছোঁ, পুৱা হ’লেই গোটেই চোতালখন সাৰি পুছি প্লাষ্টিকেই হওক বা অইন কিবায়ে হওক একেলগে জুই লগাই দিয়ে। বাছ! দিনটো উমি উমি সেই ধোঁৱা বিয়পি থাকে। খুব অসাৱধানতা আৰু অজ্ঞতাৰ ফল এই অভ্যাস।

দিপালী – একদম ঠিক কথা। আমাৰ গাৱঁতেই বাৰু কেইখন দোকান আছেনো? সেই দোকানকেইখনৰ পৰাই কিমান যে আৱৰ্জনা ওলাই তাৰ কোনো হিচাপ নাই। এবাৰ ওদালগুৰিলৈ যাওঁতে গাঁৱৰ মানুহখিনিৰ বৰ ভাল অভ্যাস এটা দেখিলোঁ। প্ৰতিঘৰৰ সন্মুখতে দুটাকৈ বেতেৰে বন্ধা মজলীয়া খাং। এটা ভিজা আৱৰ্জনাৰ বাবে আৰু এটা শুকান আৱৰ্জনাৰ বাবে।গোটেই ৰাস্তাত এটাও আৱৰ্জনাৰ দ’ম নেদেখিলোঁ।

ইমানেই পৰিষ্কাৰ লগতে প্ৰদূষণমুক্তও। আমাৰ ইয়াত গাওঁ বা চহৰ য'তেই নোকোৱা কিয়, পথত আৱৰ্জনা সিচঁৰতি হৈ আছে। কি যে বেয়া লাগে!!

ৰাতুল – এটা কথা ঠিক যে, প্ৰতিঘৰ মানুহে যদি নিজৰ আৱৰ্জনা খিনি সুস্থভাৱে পেলাবলৈ শিকে তেন্তে পৃথিৱীৰ এটা অতি বৃহৎ সমস্যা অতি সহজতেই নিয়ন্ত্ৰণ হ'ব।

দীপালী আৰু লিপিকা- সেইটোতো হয়েই চাৰ! পিছে... এটা কথা ...

ৰাতুল – কি??

দীপালী আৰু ৰাতুল – এনে ধৰনৰ গেৰেকণিবোৰত পেলনীয়া বস্তু দ'ম কৰাৰ বাহিৰে অইন উপায় নেকি?

ৰাতুল – নিশ্চয় থাকিব। ... সেইবোৰ জানিবলৈ আমাক দেখোন আজি চহৰৰ ৰাজহুৱা সভাগৰৰ আলোচনাচক্ৰলৈ মাতিছেই ... ব'লক, তেনেহ'লে! আমি এতিয়া তালৈকৈও যাওঁ।

দীপালী আৰু লিপিকা- ব'লক চাৰ!

(সংগীতত আশাৰ সুৰ)

দৃশ্য 3

( ইতিমধ্যে সভা/ আলোচনা- চক্ৰৰ এটা অংশ আগ বাঢ়ি গৈছে)

ৰাতুল – প্ৰাপ্তি বাইডেউ! মই ৰাতুল দহটীয়া। আগবালা যে আমাৰ গাৱঁত দ্বিতীয়টো গেৰেকণি কৰাৰ বিৰুদ্ধে পথ অৱৰোধ কৰিছিলো, সেই গাৱঁৰেই শিক্ষক।

প্ৰাপ্তি – বৰ ভাল কথা! আপুনি আলোচনা – চক্ৰলৈ অহা বাবে বৰ ভাল পাইছো। ... কওকছোন।

ৰাতুল – পৰিৱেশৰ সৈতে খাপ খুৱাই সুস্থ জীৱন =যাপন কৰিবলৈ হ'লে মূলমন্ত্ৰই হৈছে তেনিটা আৰ্ ( R )। প্ৰথম ' R ' টো হৈছে Reduce মানে আৱৰ্জনাৰ পৰিমান কমোৱা, দ্বিতীয় Reuse টো হৈছে মানে যিমান পাৰি বয়-বস্তুবোৰ পুনৰ পুনৰ ব্যঝাৰ কৰা আৰু তৃতীয় টো হৈছে Recycle ... মানে পুৰণি বয়-বস্তুবোৰ যিমান পাৰি নতুন ৰূপত ব্যৱহাৰ কৰা।

প্ৰাপ্তি – হয়, এই তিনিতা R কেই এতিয়া জনসাধাৰনৰ বাবে মূলমন্ত্ৰ, লগতে উদ্যোগ আৰু ব্যৱসায়ৰ বাবেও ইয়াৰ জৰিয়তে সচেতনতাও বঢ়াব লাগিব..। .. বাৰু মই আপোনালোকক এই তিনি R ৰ মূলমন্ত্ৰ কৰি চলা পৰিয়াল এটাৰ ভিডিঅ' ক্লিপ দেখুৱাইছো। .. তানিয়া ...

তানিয়া – দিছো বাইদেউ।

প্ৰাপ্তি – এই তিনি R  যে এতিয়া আৰু এক তত্বকথাই হৈ থকা নাই ... ভিডিঅ’টোৱে ঠিক তাকেই দেখুৱাইছে।

তানিয়া – এয়া চাওক। .. ষাঠিৰ দেওনা পাৰ হোৱা এই মহিলাগৰাকীৰ পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই এই তিনি -  ৰ মন্ত্ৰ মানি চলে। তেঁলোকে বজাৰ পাতি কৰাৰ বাবে কাপোৰ আৰু মৰাপাটৰ বেগ ব্যৱহাৰ কৰে ...

ৰাতুল, দিপালী আৰু লিপিকা – বৰ ভাল কথাতো!

দীপালি – গতিকে ঘৰত বজাৰৰ পৰা অনা প্লাষ্টিকৰ বেগ জমা হোৱাৰ প্ৰশ্নই নুঠে।

তান্যিা – আকৌ চাউক। তেওঁলোকে টেমা আৰু বটলবোৰ যিমান পাৰে পুনৰ ব্যৱহাৰ কৰে। .. ব্যৱহাৰৰ অযোজ্ঞ হৈ পৰিলে সেইবোৰ ফুল-লতা আদি লগায় ..। এইখন  এইখন চাওক ... তেনেবোৰ টেমা আৰু বটলৰেই বাগিছা।

ৰাতুল, দীপালি আৰু লিপিকা – বাঃ বৰ ধু-ন্নী- য়াতো।

তানিয়া – আকৌ চাওক। এয়া, তেঁওলোকৰ নঙলামুখত সৰু-ডাঙৰ কেবাটাও পাচি। এইবোৰত পেলনীয়া শাক-পাত, পাচলিৰ বাকলি আৰু শাহ আদি পেলোৱা হয়। সেইবোৰ জীৱ-জন্তুই উদৰ পূৰাই খায় ... যিখিনি ৰৈ যায়, সেইখিনীৰে তেওঁলোকে মাটিত পুতি পচন সাৰ কৰে...

দীপালি আৰু লিপিকা – হাৰে, এনেকুৱা ব্যৱস্থা দেখোন .. আমাৰ গাৱঁৰ ঘৰবোৰৰ বেছিভাগতেই আছে।

ৰাতুল – হয় বাইদেউ! .. কেৱল পাৰ্থক্য একেটাই, - আমাৰ গাৱঁৰ  পদ্ধতিত শাক-পাচলি, শাক-পাত আদিৰ এৰা-ওকলা পোহনীয়া হাঁহ-পাৰ-মেকুৰী-গৰু-ছাগলী আদিয়ে খায় ... আৰু তাৰপৰা গওা সকলৰ ...

তিনিও – অৰ্থ উপাৰ্জনো হয়।

প্ৰাপ্তি – বৰ ভাল কথা, বৰ ভাল ব্যৱস্থা। ইয়াক আৰু ব্যাপক, আৰু শক্তিশালী কৰি তুলিবহে লাগে ...

যিৰোজ - .. আচলতে এয়া পৰম্পৰাগত আৱৰ্জনা নিষ্কাশনৰ অতি উত্তম উপায়। ইয়াৰ গুৰিৰ কথাই হ’লগৈ, - আৱৰ্জনা বোৰ চিনি তাক দুভাগত ভাগ কৰা। এবিধ জৈৱিক প্ৰক্ৰিয়াৰে বিলীন হৈ যায় আৰু আনবিধ নহয়, - তাৰ হৰণ- ভগণ নহয়। এইবিধ নতুন ৰূপত পুনৰ ব্যৱহাৰ কৰাৰ ব্যৱস্থাও কৰিব পাৰি ...

ৰাতুল – আচলতে চাৰ! এই জ্ঞান আমি উঠি অহা চামক, ল’ৰালি কালৰেপৰাই দিব পাৰিব লাগে।

দিপালি আৰু লিপিকা – পাৰিলে স্কুলৰ পৰাই শিকাব লাগে।

ৰাতুল - ... তেতিয়াহে ... আৱৰ্জনা সম্পৰ্কে সচেতন ... একো একোটা নতুন প্ৰজন্ম ...

তিনিও - ... আমি গঢ়ি থাকিব পাৰিম।

( হাততালিৰে ৰজনজনাই যায়)

প্ৰাপ্তি আৰু ফিৰোজ – বৰ সজ চিন্তা, বৰ দূৰদৰ্শী পৰামৰ্শ।

প্ৰাপ্তি – আমি এই পৰামৰ্শ আলোচনা- চক্ৰৰ কৰণীয় বিষয়সূচীত অন্তৰ্ভুক্ত কৰিম।

( হাত তালিৰে ৰজনজনাই যায়)

দীপালি – বাৰু প্ৰাপ্তি বাইদেউ! আমি আপোনাৰ বকৃতাৰ পৰা ভালেখিনি কথা জানিব পাৰিলোঁ। কিন্তু , আপুনি সচাঁকৈয়ে বিশ্বাস কৰেনে বাৰে যে, আপুনি কোৱা এই প্ৰণালীবোৰ আমাক সঁচাকৈয়ে সহায় কৰিব?

প্ৰাপ্তি – দীপালি বাইদেউ! এই প্ৰণালী মোৰ উদ্ভাৱন নহয়। এয়া আগবঢ়াইছে আমেৰিকা যুক্তৰাজ্যৰ পৰিৱেশ সুৰক্ষা পৰিষদে মানে এনভিৰ’নমেন্ট প্ৰটেক্সন এজেন্সী চমুকৈ ইপা-ই। মই আকৌ এবাৰ চমুকৈ প্ৰণালীখিনি জুকিয়াই ক’ম নেকি বাৰু??

তানিয়া – হয় বাইদেউ! ক’লে ভাল হয়।

ড° প্ৰাপ্তি – যিবোৰ নতুন ভূমি গেৰেকণিৰ কাৰণে গ্ৰহণ কৰা হ’ব তাৰ বাবে ইপা-ই কিছুমান ন্যূনতম প্ৰয়োজনীয়তা ঠিক কৰি দিছে। তাৰে প্ৰধানটো হৈছে, গেৰেকণিৰ বাবে গ্ৰহণ কৰা ভূমিত লীচেট ব্যৱস্থা থাকিবই লাগিব।

ৰাতুল – এই লীচেট ব্যৱস্থা কি বাৰু? বুজাই ক’বনে বাইদেউ!

ড° প্ৰাপ্তি – তানি্যা, তুমিয়েই কোৱা...

তানি্যা – লীচেট হৈছে বৰষুণৰ পৰা জমা হোৱা পানী আৰু আৱৰ্জনাৰ স্বাভাৱিক পচনৰ যলত সৃষ্টি হোৱা পদাৰ্থ। এই পদাৰ্থ বিশেষ ছেকনিৰে ছেকা হয় আৰু গেৰেকণিৰ লীচেট জমা হোৱা ব্যৱস্থাত জমা হয়। তাৰমানে লীচেট জমা পদ্ধতিৰ কাম হৈছে আৱৰ্জনাৰ পচনৰ পাছত তাক দক্ষ ভাৱে গেৰেকণিৰ পৰা আতঁৰাই পেলোৱা।

দীপালি – কিন্তু এই ব্যৱস্থাত কি কি লাগে বাৰু?

ড° প্ৰাপ্তি – ন্যুনতম ২ % ঢাল থকা মাটিত লীচেট জমা হোৱাকৈ একোতা কুঠৰী বনোৱা হয়। এই কুঠৰী বিলাকত ৰাইজআৰ নামৰ এটা বিশেষ সজুঁলি আৰু ডুবাৰু পাম্প থাকে। ইয়াৰ জৰিয়তে পচন =শীল দ্ৰব্য আৰু বৰষুণৰ পানীৰ মিশ্ৰণ আহি একোতা প্ৰধান জমা কুঠৰীলৈ আহে। তাতেই তাৰ শোধন হয়।

ফিৰোজ – তেন্তে ইয়াত ভালেখিনি টকা পইচাৰ দৰকাৰ হয়।

তানিয়া – হয়। ই বেছ খৰচী ব্যৱস্থা। কিন্তু. জনসাধাৰণৰ স্বাস্থ্যৰ হিতৰ স্বাৰ্থত এনে খৰচ কৰিবই লাগিব।

লিপিকা – প্ৰাপ্তি বাইদেউ আপুনি মিথেন গেছৰ বিষয়েও কৈছিল।

ড০ প্ৰাপ্তি – হয়। এই গেৰেকণিবোৰত প্ৰচুৰ পৰিমাণে মিঠেন গেচ উৎপন্ন হয়। এনে এটা গেৰেকণিৰ হিচাপ মতে তাত প্ৰতিদিনে ১৪ লক্ষ্য ঘন ফুট মিথেন গেছ উৎপাদন হয়। এই মিথেন গেছ বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহৃত হয়। মই ভাবোঁ আমাৰ ইয়াতো আমি এই দিশত আগবাঢ়িব পাৰোঁ।

ৰাতুল, দীপালি আৰু লিপিকা- এইটো বৰ ভাল কথা।

ৰাতুল – গেৰেকণিৰ খনন কি বাৰু বাইদেউ!

তানিয়া – গেৰেকণিৰ খননত গেৰেকণিৰ পৰা বহুতো ব্যৱহাৰযোগ্য পদাৰ্থ উদ্ধাৰ হয়। ইয়াত পয়ঁষষ্টি শতাংশৰো বেছি ব্যৱহাৰ কৰিব পৰা মাটি থাকে। লগতে থাকে অন্যান্য বহুতো পদাৰ্থ। তাৰে কিছুমান হ'ল শিল, ধাতু, কাঠ, এলুমিনিয়াম, কাচঁ, প্লাষ্টিক, পলিষ্টাইৰিণ আৰু অইন বহুতো পদাৰ্থ। এইবোৰ গেৰেকণিৰ পৰা উলিয়াই আকৌ বুৱহাৰ কৰিব পৰা যায়।

দীপালি – আৰু যদি সীমিত দহন কৰা হয়?

ড° প্ৰাপ্তি – সীমিত দোহন প্ৰক্ৰিয়াত ভেলেখিনি অসুবিধা আছে। সেয়েহে সীমিত দহনৰ প্ৰশংগ মই অনা নাই।

লিপিকা- তথাপিও অকনমান বুজাই দিব নেকি বাইদেউ?

ড° প্ৰাপ্তি – সীমিত দহন হৈছে আৱৰ্জনা দহন কৰা ব্যৱস্থা। ইয়াৰ পৰা শক্তি পোৱা যায়। আৱৰ্জনাৰ পৰা শক্তি পোৱাৰ বাবে ইয়ে সকলোতকৈ জনপ্ৰিয় আৰু অধিক ব্যৱহৃত উপায়। গেৰেকণিৰ পৰা শক্তি পোৱাৰ আন প্ৰক্ৰিয়াবোৰ হৈছে গেছীকৰণ, এন'ৰ'বিক অথবা অজৈৱ প্ৰক্ৰিয়া আৰু পাইৰ'লাইছিছ। কেতিয়াবা কিছুমান ক্ষেত্ৰত শক্তি নোপোৱাকৈও সীমিত দহন কৰা হয়।

ৰাতুল – তথাপিও আৱৰ্জনা দহণৰ বিৰোধিতা ইমান বেছিকৈ কিয় কৰা হয়??

ফিৰোজ – কাৰণ, পুৰণি কালত পৰিৱেশৰ অপকাৰ কৰিব পৰা আৱৰ্জনা বিলাক বেলেগ কৰি নোলোৱাকৈ দহন কৰা হৈছিল। ফলত পৰিৱেশৰ প্ৰদূষণ বাঢ়িছিল। লগতে এই কাৰ্য্যত জড়িত কৰ্মীসকলৰো স্বাস্থ্য হানী হৈছিল। আৰু এই প্ৰক্ৰিয়াত বিদ্যুৎ উৎপাদনো হোৱা নাছিল। এই প্ৰক্ৰিয়াৰ ফলত এটাই সুবিধা যে আৱৰ্জনা প্ৰায় ৯৫-৯৬ % কমি যায়। পিছে, অকল কমি গ'লেই তো নহ'ব , তাৰপৰা কিমান বয়-বস্তু পুনৰ্ব্যৱহাৰৰ বাবে উদ্ধাৰ হৈছে সেইটোহে ডাঙৰ কথা। লগতে আৱৰ্জনাৰ হাৰ কিমান সেইটোও দৰ্কাৰী। হাঃ হাঃ ... সেয়েহে গেৰেকণিৰ আৱশ্যকতা আছে আৰু হাঃ হাঃ হাঃ থাকিবও।

ড° প্ৰাপ্তি – অৱশ্যে কিছু কিছু ক্ষেত্ৰত সীমিত দহনৰ উপকাৰিতাও আছে। চিকিৎসালয় বোৰৰ আৱৰ্জনা আৰু অইন কিছুমান বিপদজনক বস্তু আদিৰ ক্ষেত্ৰত বিষাক্ত পদাৰ্থ ধ্বংস কৰি বাকী আৱৰ্জনা অতি উচ্চ তাপ ব্যৱহাৰ কৰি ধ্বংস কৰা হয়।

ফিৰোজ- চাওক! জাপানত ভূমিৰ অভাৱ খুবাই বেছি। এই ধৰণৰ উচ্চ তাপ ব্যৱহাৰ কৰি আৱৰ্জনা ধ্বংস কৰা হয়। ডেন্মাৰ্ক আৰু চুইডেনৰ নিচিনা দেশত সীমিত দহনৰ পৰা উদ্ভৱ হোৱা শক্তি বহুল পৰিমাণে ব্যৱহাৰ হয়। ইউৰোপ মহাদেশৰ অইন দেশ সমূহতো আৱৰ্জনাৰ সীমিত দহনৰ পৰা উদ্ভৱ হোৱা তাপ আৰু বিদ্যুৎ ব্যৱহাৰ হয়।

তানিয়া – সেয়েহে ক্ষেত্ৰবিশেষে দহন ভাল হ'লেও, গেৰেকণিৰ প্ৰয়োজন থাকিয়েই যায়।

ৰাতুল – কিন্তু আমি গেৰেকণি বিলাক উন্নত আৰু কাৰ্য্যদক্ষ কৰিবলৈ চেষ্টা কৰিব নোৱাৰো জানো? আৰু এটা কথা ... যধে মধে আৱৰ্জনা জমা কৰাৰ বাবে ভূমি অধিগ্ৰহণ কৰাটো বন্ধ হ'ব লাগে! এই ক্ষেত্ৰত প্ৰশাসনৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ।

লিপিকা – বাৰু নাইদেউ! .. যদি পৃথিৱীৰ সমস্ত আৱৰ্জনা মহাকাশলৈ পঠিয়াই দিয়া হয়?

সকলো – (হাঁহে) মহা-কা-শলৈ

প্ৰাপ্তি – হাঃ হাঃ !! ভাল কৈছে দেই!! কিন্তু পৃথিৱীৰ আৱৰ্জনাৰ পৰিমাণ অকল্পনীয় ভাৱে বেছি আৰু ৰকেট উৎক্ষেপণৰ খৰচো অভাৱনীয়ভাৱে বহুত বেছি...

দিপালী – তাৰ মানে সেই পিনেও কোনো আশা নাই!!

লিপিকা – গতিকে আমি এই সমস্যাৰ সমাধানৰ বাবে স্থায়ী চিন্তা কৰিব লাগিব।

দিপালী – ইয়াতেই আহি পৰে আৱৰ্জনাৰ পৰিমাণ কমোৱাৰ বাবে আজিৰ মহামন্ত্ৰ, - তিনি ‘R’ ৰ কথা আৰু Reduce, Reuse, Recycle ..... ( প্ৰতিধ্বনি)

ড° প্ৰাপ্তি – প্ৰশ্নটো খুবেই দৰ্কাৰী, খুবেই প্ৰাসংগিক। এই ক্ষেত্ৰত পৰীক্ষাৰ পৰা ঠাৱৰ কৰা কেইটামান সত্যৰ প্ৰতি আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। .. তানিয়া! পুনৰ্ব্যৱহাৰৰ তথ্যৰ শ্লাইড খন ...

তানিয়া – দিছো বাইদেউ! এয়া চাওক ...। কোনে পঢ়ি যাব বাৰু

ৰাতুল – মই বাইদেউ! .. প্ৰথমটো হ’লগৈ... ( পঢ়াৰ সুৰত)

পুনৰ ব্যৱহাৰ কৰি প্ৰস্তুত কৰা কাগজে কেঁচা মালৰ পৰা প্ৰস্তুত কৰা কাগজৰ তুলনাত প্ৰায় শতকৰা তেসত্তৰ ভাগ বায়ু প্ৰদূষণ কমায়।

দীপালিৰু লিপিকা – বাপৰে বআপ! এয়াতো কম সকাহৰ কথা নহয়, - একে কোবে প্ৰায় চাৰিভাগৰ তিনি ভাগ প্ৰদূষণেই কমায়।

দীপালি – দ্বিতীয়টো হ’লগৈ, (পঢ়াৰ সুৰত)

পুনৰ ব্যৱহাৰ কৰা এটা প্লাষ্টিকৰ বটলে এটা বাল্ব তিনি ঘন্টা জ্বলিবলৈ যিমান শক্তি লাগে, সিমানখিনি শক্তি ৰাহি কৰে ... আৰু শক্তি ৰাহি হোৱা মানেই তো ...

দীপালি আৰু লিপিকা - ... প্ৰদূষণ কমোৱা।

লিপিকা – তৃতিয়টো হ’লগৈ ( পঢ়াৰ সুৰত)

পুনৰ বুৱহাৰ কৰা কাচৰ বটল এটাই ২৫ মিনিট কম্পিউটাৰ এটা চলাবলৈ যিখিনি শক্তি লাগে, ঠিক সিমানখিনি শক্তি ৰাহি কৰে।

তানিয়া – দেখিলেনে...? পুনৰ ব্যবহাৰত শক্তি ৰাহি হোৱাৰ তথ্যবোৰে আচলতে পুনৰ ব্যৱহাৰৰ গুৰুত্বকেই দোহাৰে।

দিপালী – তেন্তে আমি সকলো বস্তু কিয় পুনৰ ব্যৱহাৰ কৰিব নোৱাৰোঁ?

লিপিকা – সেইটোৱএই আটাইতকৈ ভাল কথা হ’লহেতেন! কিন্তু খৰচৰ দিশটোও ভাবিব লগীয়া।

ৰাতুল – যদিও পুনৰ্ব্যৱহাৰৰ দিশেই সকলোৰে মত, কিন্তু পুনৰ্ব্যৱহাৰতকৈ ভাল এটা পদ্ধতি আমি কৰিব পাৰোঁ।

দিপালী – অ’ ... তাৰমানে পুনৰ্ব্যৱহাৰেই একমাত্ৰ উপায় নহয়! বাহ্ বেছ বেছ।

ৰাতুল – পুনোৰ্বুৱহাৰতকৈ কম খৰচী উপায়টো হৈছে একেটা বস্তুকে যইমান পাৰি বেছি দিনৰ বাবে ব্যৱহাৰ কৰা। যেনে প্লাষ্টিক বটলৰ সলনি কাঁচৰ বটল, প্লাষ্টিক  বেগৰ সলনি কাগজৰ ঠোঙা, কাপোৰ বা মৰাপাটৰ আদি বেগ। ইয়াৰ ফলত এইবিলাকৰ ব্যৱহাৰৰ ম্যাদ বাঢ়ি যায়। পুনৰ্ব্যৱহাৰৰ ক্ষেত্ৰত একে বস্তু একেলগে যোগাৰ কৰা, গলাই লোৱা আকৌ বস্তুটো অইন এটা বস্তু বনোৱালৈ বহুতো খৰচ বাঢ়ি যায়। কিন্তু এই দিইৰ্ঘম্যাদী ব্যৱহাৰৰ বস্তুবোৰৰ ক্ষেত্ৰত তেনে নহয়, চাবোনপানীৰে ভাল দৰে ধুলেই আকৌ ব্যৱহাৰ কৰি থাকিব পাৰি।

দীপালী আৰু লিপিকা – আমিতো তাকেই কৰো।

ৰাতুল – বেছি ভাগেই এই কামটো কৰে হয়, পিছে ‘বিস্বায়নৰ ভূতে’ পোৱাৰ পিছত বহুতেই তেনে কৰিবলৈ বাদ দিছে। তেওঁলোকৰ মত হ’ল ‘কিনইলো – খুলিলো – খালো – পেলাই দিলো,’ – মানে এক ধৰণৰ ‘ডাষ্টবিন – প্ৰেম’

প্ৰাপ্তি – আচলতে এই প্ৰৱনতাই এতিয়া আমাৰ বেছি ভাগৰেই বেমাৰ, - এক ধৰণৰ মানসিক ৰোগেই বুলিব পাৰি। আচলতে প্লাষ্টিকৰ সামগ্ৰিহি সস্তা আৰু সুলভ হোৱাৰ ফলতেই এনে হ’বলৈ পাইছে আৰু ... এই ‘বেমাৰ’ এক ভীষণ মহামাৰীত পৰিণত হৈছে ...

ফিৰোজ - ... আচলতে, এই ‘মাত্ৰ-এবাৰ-ব্যৱহাৰ- কৰিয়েই পেলাই – দিয়াৰ’ মানসিকতা বাহ দিব নোৱাৰিলে, গেৰেকণিৰ সমস্যা কেতিয়াও সমাধান নহয় ...

তানিয়া – মোৰ মতে, এই ক্ষেত্ৰত চৰকাৰৰো দায়িত্ব আছে। এই ক্ষেত্ৰত প্লাষ্টিক উদ্যোগৰ সওপৰতো নিশ্চয় বাধা নিষেধৰ প্ৰয়োজন আছে।

ৰাতুল – কথাষাৰ  ঠিকেই! বজাৰত যদি পাবলৈয়ে নহোৱা হয়, বাধ্যত পৰি মানুহবোৰ বেছি দিন চলা বয়-বস্তু, বাচন-বৰ্তন আদি ব্যৱহাৰ কৰাত অভ্যস্ত হৈ পৰিব।

প্ৰাপ্তি – একেবাৰে সঁচা কথা!! .. গতিকে এতিয়াৰে পৰাই আমাৰ অভিযানত শ্ল’গান হ’বগৈ ...

বয় – বস্তু - এবাৰ – মাত্ৰ – ব্যৱহাৰ – কৰি- পেলাই – দিয়া – অভ্যাস

বাকীবোৰ – ত্যাগ কৰক! ত্যাগ কৰক!!

ফিৰোজ - ... বেছি দিন চলা বয়-বস্তু ব্যৱহাৰ কৰাৰ অভ্যাস ...

বাকীবোৰ - ... গঢ়ি তোলক! গঢ়ি তোলক!!

তানিয়া - ... গেৰেকণিৰ মহাবিপদৰ পৰা ৰক্ষা পাবৰ বাবে আৱৰ্জনাৰ পৰিমাণ

বাকীবোৰ - ... কম কৰক! কম কৰক!!

ৰাতুল - ... তাৰ বাবে ... তিনি ‘ ’ৰ মূলমন্ত্ৰক জীৱনত ..

বাকীবোৰ - ... অপৰিহাৰ্য্য কৰি তোলক! অপৰিহাৰ্য্য কৰি তোলক!!
*************************************************************

প্ৰশ্ন

১. এই খণ্ডটোত উল্লেখ কৰা তিনিতা R কি কি ?

- Reduce, Reuse, Recycle

২. সীমিত দহনক বিশেষকৈ কি ক্ষেত্ৰৰ আৱৰ্জনাৰ বাবে ব্যৱহাৰ কৰা হয়?

- চিকিৎসালয়ৰ আৱৰ্জনা আৰু বিভিন্ন দূষিত আৱৰ্জনাৰ ক্ষেত্ৰত।

****************************************************************